# Prime Minister Narendra Modi and Prime Minister of Singapore Lee Hsien Loong participate in the Virtual Launch of UPI-PayNow Linkage between India and Singapore

February 21, 2023

## প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লী ছিয়েন লুঙে ভাৰত আৰু ছিংগাপুৰৰ মাজত ইউপিআই-পেনাও লিংকেজৰ ভাৰ্চুৱেল মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰে

ফেব্ৰুৱাৰী 21, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী শ্ৰী লী ছিয়েন লুঙে ভাৰতৰ ইউনিফাইড পেমেন্টছ ইন্টাৰফেচ (ইউপিআই) আৰু ছিংগাপুৰৰ পেনাওৰ মাজত ৰিয়েল টাইম পেমেন্ট লিংকেজৰ ভাৰ্চুৱেল মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ শ্ৰী শক্তিকান্ত দাস আৰু ছিংগাপুৰৰ মুদ্ৰা কৰ্তৃপক্ষৰ পৰিচালনা সঞ্চালক শ্ৰীযুত ৰবি মেননে তেওঁলোকৰ নিজ নিজ মোবাইল ফোন ব্যৱহাৰ কৰি ইজনে সিজনক লাইভ ক্ৰছ বৰ্ডাৰ লেনদেন কৰে।

ছিংগাপুৰ হৈছে প্ৰথমখন দেশ যাৰ সৈতে ক্ৰছ বৰ্ডাৰ ব্যক্তিৰ পৰা ব্যক্তিলৈ (পি২পি) পৰিশোধ সুবিধা আৰম্ভ কৰা হৈছে। ই ছিংগাপুৰৰ প্ৰবাসী ভাৰতীয়সকলক, বিশেষকৈ প্ৰব্ৰজনকাৰী শ্ৰমিক/শিক্ষাৰ্থীসকলক সহায় কৰিব আৰু ছিংগাপুৰৰ পৰা ভাৰতলৈ তাৎক্ষণিক আৰু কম ব্যয়ৰ ধন স্থানান্তৰৰ জৰিয়তে ডিজিটেলকৰণ আৰু ফিনটেকৰ সুবিধা সাধাৰণ মানুহৰ ওচৰলৈ আনিব । কিউআৰ কোডৰ জৰিয়তে ইউপিআই পৰিশোধৰ গ্ৰহণযোগ্যতা ইতিমধ্যে ছিংগাপুৰৰ নিৰ্বাচিত ব্যৱসায়িক বিপণীত উপলব্ধ হৈছে।

ভাৰ্চুৱেল মুকলিৰ পূৰ্বে দুয়োগৰাকী প্ৰধানমন্ত্ৰীৰ মাজত ফোন কল কৰা হৈছিল, য'ত পাৰস্পৰিক স্বাৰ্থৰ বিষয়সমূহ আলোচনা কৰা হৈছিল। প্ৰধানমন্ত্ৰীয়ে ভাৰত-ছিংগাপুৰ সম্পৰ্কক আগুৱাই নিয়াৰ ক্ষেত্ৰত অংশীদাৰীত্বৰ বাবে প্ৰধানমন্ত্ৰী লীক ধন্যবাদ জ্ঞাপন কৰে আৰু ভাৰতৰ জি-২০ অধ্যক্ষতাৰ অধীনত তেওঁৰ সৈতে কাম কৰাৰ বাবে আশাবাদী বুলি প্ৰকাশ কৰে।

নতুন দিল্লী
ফেব্ৰুৱাৰী 21, 2023

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.